যোগেন মহন
মন্ত্ৰী, অসম
ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল
ও খনি আৰু খনিজাত দ্ৰব্য বিভাগ।

सत्यमेव जयते

জনতা ভৱন
খণ্ড-ডি, প্ৰথম মহলা, ৰুম নং - ১০১
দিছপুৰ, গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ও ফেক্স ঃ ০৩৬১-২২৩৭০৯৩
ই-মেইল ঃ jogen77@gmail.com

প্ৰসঙ্গ ঃ জে. এম. / ২০২৪/শু.বা./৩৬

তাৰিখ ঃ ১১.০৪.২০২৪

# শুভেচ্ছাবাৰ্তা

চেন্নাই প্ৰবাসী অসমীয়াসকলৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান 'অসম এছ'চিয়েশ্যন, চেন্নাই'ৰ উদ্যোগত 'কাজিৰঙা' নামৰ এখন বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই অত্যন্ত সুখী হৈছো। চিকিৎসা সেৱা, শিক্ষা আদি বিভিন্ন কাৰণত চেন্নাইলৈ যোৱা অসমীয়াসকলৰ সেৱা আগবঢ়োৱাত অসম এছ'চিয়েশ্যনে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

এটা জাতিৰ স্বকীয়তা বজাই ৰখাত জাতিটোৰ সাহিত্য আৰু সংস্কৃতিয়ে মুখ্য ভূমিকা পালন কৰে। জাতীয় সাহিত্য আৰু সংস্কৃতিৰ মাজেৰে জাতিটোৰ উৎকৰ্ষ সাধন হয়, সভ্যতাৰ দৌৰত আগুৱাই যাবলৈ সক্ষম হয়। সেয়েহে, চেন্নাই প্ৰবাসী অসমীয়াসকলেও আমাৰ ভাষা- সাহিত্য আৰু সংস্কৃতিৰ চৰ্চাৰে জাতীয় স্বকীয়তা বজাই ৰাখিছে। এয়া নিশ্চয়কৈ প্ৰশংসনীয় পদক্ষেপ।

আশাকৰোঁ আলোচনীখনত ভিন্নস্বাদৰ সাহিত্যৰ লগতে অসমীয়া জাতীয় জীৱনৰ বিষয়ে প্ৰকাশিত লিখনিসমূহে আমাৰ অসমীয়া জাতীয় ঐক্য আৰু সংহতিক প্ৰতিফলিত কৰিব। এনেধৰণৰ ইতিবাচক পদক্ষেপৰ বাবে চেন্নাই এছ'চিয়েশ্যনৰ সকলো সদস্য-সদস্যা আৰু আলোচনীখনৰ সম্পাদনা সমিতিৰ সৈতে জড়িত সকলো বিষয়-ববীয়ালৈ মোৰ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলো।

(যোগেন মহন)
মন্ত্ৰী, অসম চৰকাৰ